**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-01-2026 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*
## *HEADLINES*

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ ডিব্ৰুগড় জিলাত এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। সমগ্ৰ দেশে আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ৭৮ সংখ্যক মৃত্যু বাৰ্ষিকীত তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে।

৩। নতুন দিল্লীত কাইলৈ ভাৰত-আৰব বিদেশ মন্ত্ৰীসকলৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হ'ব।

৪। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰ তালিকাত এছিয়াৰ যথেষ্ট সংখ্যক প্ৰতিনিধি নথকাৰ বাবে সংস্কাৰৰ প্ৰয়োজন আছে বুলি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে প্ৰকাশ কৰিছে।

আৰু

৫। ছত্তিশগড়ৰ ছুকমা জিলাত আজি চাৰিজন মাওবাদীয়ে আত্মসমৰ্পণ কৰে।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ ডিব্ৰুগড় জিলাত এহেজাৰ ৭১৫ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। জিলাখনৰ খনিকৰ খেলপথাৰত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে আন কেইবাগৰাকীও মন্ত্ৰী উপস্থিত থাকে।

ডিব্ৰুগড়ক ৰাজ্যৰ দ্বিতীয় প্ৰশাসনিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ চৰকাৰৰ প্ৰচেষ্টাৰ অংশ হিচাপে শ্ৰীশ্বাহে ২৮৪ কোটি টকা ব্যয়সাপেক্ষে অসম বিধানসভাৰ দ্বিতীয়টো চৌহদ আৰু বিধায়কৰ আৱাসগৃহৰ আধাৰশিলা স্থাপন কৰে। এই চৌহদৰ ভিতৰত এটা তিনি মহলীয়া বিধানসভা ভৱন, ৯-মহলীয়া বিধায়কৰ আবাসগৃহ, ৮০০খন আসনযুক্ত প্ৰেক্ষাগৃহ আৰু নিৰাপত্তা বাহিনীৰ বাবে বেৰেক থাকিব। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে জিলাখনৰ ক্ৰীড়া খণ্ডত নতুন যুগৰ সূচনাৰে খনিকৰত ২৩৮ কোটি টকা ব্যয় সাপেক্ষে বহুমুখী ক্ৰীড়া প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰে। তেওঁ লগতে ২০৯ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ক্ৰীড়া প্ৰকল্পৰ দ্বিতীয় পৰ্যায়ৰ কামৰ আধাৰশিলা স্থাপন কৰে।

শ্ৰীশ্বাহে এই অনুষ্ঠানতে উত্তৰ-পূৰ্বাঞ্চলত বন্যপ্ৰাণী সংৰক্ষণৰ অভিলাষী পদক্ষেপ হিচাপে ডিব্ৰুগড়ৰ দিনজানত বন্যপ্ৰাণী স্বাস্থ্য আৰু গৱেষণা প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন কৰে। ২৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই প্ৰতিষ্ঠানত বন্যপ্ৰাণীৰ স্বাস্থ্য নিৰীক্ষণ, বিভিন্ন প্ৰকাৰৰ ৰোগ নিৰ্ণয়, উন্নত পৰীক্ষাগাৰৰ সুবিধা থকাৰ লগতে বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত কাম কৰা পেচাদাৰী লোকসকলক প্ৰশিক্ষণৰো ব্যৱস্থা থাকিব। তদুপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ সহায়ত নিৰ্মাণ কৰা অসমৰ জলাশয়সমূহৰ পুনৰ উদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণ প্ৰকল্প মুকলি কৰে। ৬৯২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ ৯খন জিলাত বিজ্ঞানসন্মতভাৱে বাচনি কৰা ১৫ টা জলাশয়ৰ পুনৰুদ্ধাৰ আৰু পুনৰুজ্জীৱিতকৰণৰ ব্যৱস্থা কৰাৰ উপৰি নগাৰাঞ্চলত বানপানীৰ সমস্যা ৰোধ, জলাশয়সমূহৰ জলধাৰণ ক্ষমতা বৃদ্ধি আৰু সামগ্ৰীক বান ব্যৱস্থাপনা শক্তিশালী কৰা হ'ব। শ্ৰী শ্বাহে আজি বিয়লি ধেমাজিৰ কাৰেং চাপৰিত অনুষ্ঠিত মিচিং যুৱ মহোৎসৱৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে

উপস্থিত থাকিব। সন্ধিয়াৰ ভাগত তেওঁ গুৱাহাটীস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত ৰাজনৈতিক আলোচনাত অংশ ল’ব।

০০০০০০০০০

সমগ্ৰ দেশে আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ ৭৮ সংখ্যক মৃত্যু বাৰ্ষিকীত তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। ৰাষ্ট্ৰই আজি শ্বহীদ দিৱস উপলক্ষে স্বাধীনতা আন্দোলনৰ প্ৰতিগৰাকী শ্বহীদলৈ সশ্ৰদ্ধ প্ৰণিপাত জনাইছে। জাতিৰ পিতাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে আজি নতুন দিল্লীৰ ৰাজঘাটৰ গান্ধী সমাধিত সৰ্বধৰ্ম প্ৰাৰ্থনাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজঘাটত মহাত্মা গান্ধীৰ স্মাৰকত পুষ্পাঞ্জলি অৰ্পণ কৰে। প্ৰতিবছৰে ৩০ জানুৱাৰীত অহিংস নীতিৰে স্বাধীনতা আন্দোলনৰ নেতৃত্ব প্ৰদান কৰা মহামানৱ মহাত্মা গান্ধীৰ জীৱন আৰু আদৰ্শৰ প্ৰতি সন্মান জনোৱা হয়। তদুপৰি দেশৰ স্বাধীনতা আন্দোলনত প্ৰাণ আহুতি দিয়া স্বাধীনতা সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধা জনাই এই দিনটো শ্বহীদ দিৱস হিচাপে পালন কৰা হয়।

প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে মৃত্যু বাৰ্ষিকীত জাতিৰ পিতালৈ শ্ৰদ্ধা নিবেদন কৰি কয়, যে মহাত্মা গান্ধীয়ে স্বদেশী সামগ্ৰীৰ ওপৰত সদায় বিশেষ গুৰুত্ব আৰোপ কৰিছিল, যি হৈছে উন্নত আৰু আত্ম-নিৰ্ভৰশীল ভাৰতৰ মূল স্তম্ভ।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে মহাত্মা গান্ধীয়ে ভাষা, ধৰ্ম আৰু বৰ্ণৰ ভিত্তিত পৃথক হৈ পৰা দেশখনক একত্ৰিত কৰি স্বাধীনতা আন্দোলনক নতুন গতি প্ৰদান কৰিছিল। শ্ৰী শ্বাহে লগতে স্বদেশী, স্বাধীনতা আৰু স্বচ্ছতাৰ জৰিয়তে দেশক সমৃদ্ধ কৰাৰ ক্ষেত্ৰত গান্ধীজীৰ অৱদানৰ প্ৰশংসা কৰে।

জাতিৰ পিতাৰ প্ৰতি শ্ৰদ্ধা জনাই দেশজুৰি আজি দিনৰ ১১ বজাত দুই মিনিটৰ বাবে মৌনতা অৱলম্বন কৰা হয়।

০০০০০০০০

নতুন দিল্লীত কাইলৈ ভাৰত-আৰব বিদেশ মন্ত্ৰীসকলৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হ’ব। ভাৰত আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই এই বৈঠকত সহ-অধ্যক্ষতা কৰিব। বৈঠকত আৰব লীগ সদস্য-ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীসকল আৰু আৰব লীগৰ সচিব প্ৰধানে অংশ ল’ব। ভাৰতে প্ৰথম বাৰৰ বাবে এই বৈঠকৰ আয়োজন কৰিছে। প্ৰায় ১০ বছৰৰ মূৰত অনুষ্ঠিত হোৱা বিদেশ মন্ত্ৰীসকলৰ প্ৰথমখন বৈঠক ২০১৬ চনত বাহৰেইনত অনুষ্ঠিত হৈছিল। প্ৰথমখন বৈঠকত অৰ্থনীতি, শক্তি, শিক্ষা, সংবাদ মাধ্যম আৰু সংস্কৃতিক অগ্ৰাধিকাৰৰ বিষয় হিচাপে চিনাক্ত কৰা হৈছিল। এইবাৰৰ বৈঠকত সম্প্ৰতি বিদ্যমান সহযোগিতা তথা সহযোগিতাৰ প্ৰসাৰ আৰু সুদৃঢ়কৰণত গুৰুত্ব আৰোপ কৰা হ’ব।

ইপিনে, এই বৈঠকৰ পূৰ্বে নতুন দিল্লীত ভাৰত-আৰব শীৰ্ষ বিষয়াসকলৰ চতুৰ্থখন বৈঠক চলি আছে। দ্বিতীয় ভাৰত-আৰব বিদেশ মন্ত্ৰীসকলৰ বৈঠকত অংশগ্ৰহণৰ বাবে কাটাৰৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী চুলতান বিন ছাদ অল মুৰাইখি আৰু লিবিয়াৰ বিদেশ মন্ত্ৰী আল্‌টাহাৰ এছ এম আলব’ৰ নতুন দিল্লীত উপস্থিত হৈছে। ছোমালিয়াৰ বৈদেশিক পৰিক্ৰমা আৰু আন্তঃৰাষ্ট্ৰীয় সহযোগিতা মন্ত্ৰী আব্দিছালাম আব্দি আলী আজি পুৱা নতুন দিল্লীত উপস্থিত হয়। আব্দি আলীৰ এই ভ্ৰমণে ভাৰত আৰু ছোমালিয়াৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক সুদৃঢ় কৰিব বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আশা প্ৰকাশ কৰিছে।

০০০০০০০০০

ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ’ গুটেৰেছে কয় যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্যৰ তালিকাত এছিয়াৰ যথেষ্ট সংখ্যক প্ৰতিনিধি নাই আৰু সেইবাবে ইয়াৰ সংস্কাৰৰ প্ৰয়োজন আছে। এই বৰ্ষৰ প্ৰাথমিক অগ্ৰাধিকাৰ সন্দৰ্ভত সাংবাদিকৰ আগত তেওঁ কয় যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ সংস্কাৰৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা হ’ব আৰু শান্তি তথা নিৰাপত্তা ব্যৱস্থা শক্তিশালী কৰাৰ বাবে ৰাষ্ট্ৰসংঘই কাম কৰিব।

শ্ৰীগুটেৰেছে কয় যে নিৰাপত্তা পৰিষদত এছিয়াৰ কম প্ৰতিনিধিত্ব দেখা যায় আৰু এই ক্ষেত্ৰত ভাৰসাম্য স্থাপনৰ প্ৰয়োজনীয়তা আহি পৰিছে। ভাৰতে ৰাষ্ট্ৰসংঘৰ স্থায়ী সদস্যৰ দাবী জনাই আহিছে যদিও বৰ্তমান সেয়া বাস্তৱত পৰিণত হোৱা নাই যদিও ৰাষ্ট্ৰসংঘই ভালেকেইখন সদস্যৰাষ্ট্ৰই এই ক্ষেত্ৰত ভাৰতক সমৰ্থন দিছে। সচিব প্ৰধান শ্ৰীগুটেৰেছে এই সংস্কাৰ প্ৰক্ৰিয়াক বাধা দিয়া শক্তিসমূহক গৰিহণা দিয়ে। একতাৰ পক্ষে মাত মাতি অহা অতি ক্ষুদ্ৰ গোট এটাই এই সংস্কাৰ প্ৰক্ৰিয়া হেঙাৰৰ সৃষ্টি কৰি আহিছে। ইয়াৰ নেতৃত্ব দিছে ইটালীয়ে আৰু পাকিস্তানো এই ক্ষেত্ৰত অন্তৰ্ভুক্ত হৈছে। শ্ৰীগুটেৰেছে কয় যে ৰাষ্ট্ৰসংঘৰ স্থায়ী সদস্যসকলৰ ভেটো অধিকাৰৰ ক্ষেত্ৰত বাধা আৰোপ কৰা বিচাৰক তেওঁ সমৰ্থন জনাইছে। কিয়নো, কোনো গভীৰ বিষয়ত পৰিষদে সিদ্ধান্ত লোৱাৰ ক্ষেত্ৰত ই বাধাৰ সৃষ্টি কৰি আহিছিল।

oooooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি নতুন দিল্লীৰ উপ-ৰাষ্ট্ৰপতি ভৱন চৌহদত অনুষ্ঠিত ভাৰতৰত্ন চি সুব্ৰমণিয়ামৰ জন্মদিন উপলক্ষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে চি সুব্ৰমণিয়ামে দেশৰ সেউজ বিপ্লৱৰ সময়ছোৱাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁৰ দূৰদৃষ্টিসম্পন্ন নেতৃত্ব আৰু নীতিৰ জৰিয়তে দেশৰ কৃষি মানচিত্ৰ সলনি কৰি খাদ্যৰ ক্ষেত্ৰত নিৰাপত্তা সুনিশ্চিত কৰাৰ লগতে হাজাৰ হাজাৰ কৃষকৰ দৈনন্দিন জীৱন শক্তিশালী কৰি তুলিছিল। উপ-ৰাষ্ট্ৰপতি চি ৰাধাকৃষ্ণণে কয় যে ৰাষ্ট্ৰৰ উন্নয়নৰ ক্ষেত্ৰত চি সুব্ৰমণিয়ামে আগবঢ়োৱা অৱদানৰ কথাই প্ৰজন্মৰ পাছত প্ৰজন্মক উদ্বুদ্ধ কৰি আহিছে।

oooooooo

ছত্তিশগড়ৰ ছুকমা জিলাত আজি চাৰিজন মাওবাদীয়ে আত্মসমৰ্পণ কৰে। মাওবাদীকেইজনৰ ভিতৰত দুগৰাকী মহিলা কেডাৰো আছে। ছুকমা জিলা মুখ্য কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত বাষ্টাৰ খণ্ডৰ আৰক্ষী মহা পৰিদৰ্শক সুন্দৰৰাজ পি, ছুকমাৰ আৰক্ষী অধীক্ষক কিৰণ চৌহান আৰু সুৰক্ষা বাহিনীৰ শীৰ্ষ বিষয়াৰ উপস্থিতিত মাওবাদীকেইজনে তেওঁলোকৰ অস্ত্ৰ-শস্ত্ৰসমূহ সমৰ্পণ কৰে। মাওবাদীকেইজনে জিলাখনৰ গোল্লাপল্লী, ক’ণ্টা আৰু কিষ্টাৰাম অঞ্চলত উগ্ৰবাদী কাৰ্যকলাপ চলাই আহিছিল।

oooooooo

সমাপ্ত